# ইটালীৰ প্ৰধানমন্ত্ৰীৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

ছেপ্টেম্বৰ 09, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত অনুষ্ঠিত G20 সন্মিলনৰ সময়ত ইটালী গণৰাজ্যৰ প্ৰধানমন্ত্ৰী মহামহিম শ্ৰীমতী জৰ্জিয়া মেলোনিৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। 2023 চনৰ মাৰ্চ মাহত প্ৰধানমন্ত্ৰী মেলোনিৰ ৰাজ্যিক ভ্ৰমণৰ পিছত এইটো দ্বিতীয় ভাৰত ভ্ৰমণ, য'ত দ্বিপাক্ষিক সম্পৰ্ক কৌশলগত অংশীদাৰিত্বৰ স্তৰলৈ উঠাই দিয়া হৈছিল।

2. ভাৰতৰ G20 অধ্যক্ষতাৰ প্ৰতি ইটালীৰ সমৰ্থন আৰু ইটালীয়ে গোলকীয় জৈৱ ইন্ধন মিত্ৰতা আৰু ভাৰত- মধ্য প্ৰাচ্য- ইউৰোপ অৰ্থনৈতিক কৰিডৰত যোগদানকৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে।

3. দুয়োগৰাকী নেতাই দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ 75 বছৰ সম্পূৰ্ণ হোৱাত সন্তোষৰ সৈতে উল্লেখ কৰে। তেওঁলোকে ভাৰত-ইটালী কৌশলগত অংশীদাৰিত্বৰ বিভিন্ন ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ বুজ লয় আৰু প্ৰতিৰক্ষা আৰু নতুন আৰু উদীয়মান প্ৰযুক্তিৰ দৰে ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বাবে সন্মত হয়। তেওঁলোকে বৃহত্তৰ গোলকীয় কল্যাণৰ বাবে G7 আৰু G20 ৰ সামঞ্জস্যৰ সৈতে কাম কৰাৰ প্ৰয়োজনীয়তা উল্লেখ কৰিছিল।

4. প্ৰধানমন্ত্ৰী মেলোনীয়ে এক সফল G20 সন্মিলনৰ বাবে প্ৰধানমন্ত্ৰীক অভিনন্দন জ্ঞাপন কৰে।

**নতুন দিল্লী**
**ছেপ্টেম্বৰ 09, 2023**